জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৫০/২০২২**

# গোলাঘাট জিলাত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## গোলাঘাটৰ বিশিষ্ট নাগৰিক আৰু সংগঠনৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়

## চৰকাৰে জনসাধাৰণৰ অংশীদাৰিত্বৰে উন্নয়নৰ দিশত কাম কৰি আহিছে ঃ মুখ্যমন্ত্ৰী

## অহা আগষ্ট মাহৰ পৰা উপায়ুক্তৰ কাৰ্যালয়ত প্ৰকল্প সম্ভাৱনা আৰম্ভ কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৫ ফেব্ৰুৱাৰী ঃ** দিনজোৰা কাৰ্যসূচীৰে গোলাঘাট জিলালৈ অহা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জিলাখনৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰীয়ে ফৰকাটিং ৰে'ল ষ্টেচনৰ ওচৰৰ গোলাঘাট-মেৰাপানী পথৰ ফৰকাটিং বাইপাছত ৬৭০ মিটাৰ দৈৰ্ঘ্যৰ ৰে'লৰে উৰণ সেতুখন ৰাইজৰ সেৱাৰ বাবে উৎসৰ্গা কৰে। গোলাঘাট গ্ৰাম্য পথ বিভাগে ৪৫.৬৬ কোটি টকা ব্যয়ৰে এই ৰে'লৰে উৰণ সেতুখন নিৰ্মাণ কৰি উলিয়াইছে।

মুখ্যমন্ত্ৰীয়ে গোলাঘাট জিলাৰ ফৰকাটিঙত ফৰকাটিং ক্ৰিকেট খেলপথাৰ আৰু এচিএ ক্ৰিকেট পেভেলিয়নৰো শুভ উদ্বোধন কৰে। এচিএয়ে ফৰকাটিং স্পৰ্টছ এছ'চিয়েশ্যনৰ খেলপথাৰত খেলপথাৰ আৰু পেভেলিয়ন নিৰ্মাণৰ বাবে প্ৰায় ৭৫ লাখ টকা ব্যয় কৰিছে।

তদুপৰি মুখ্যমন্ত্ৰীয়ে গোলাঘাটত পঞ্চদশ বিত্ত আয়োগৰ অধীনত বিত্তীয় অনুদানেৰে নিৰ্মাণ কৰা এক গোটা আৱৰ্জন ব্যৱস্থাপনা প্ৰকল্প উদ্বোধন কৰে। তেওঁ গোলাঘাট জিলা উপায়ুক্ত কাৰ্যালয়ৰ সংহত ভৱনৰো আধাৰশিলা স্থাপন কৰে। এই সংহত জিলা উপায়ুক্তৰ কাৰ্যালয় নিৰ্মাণৰ বাবে ৫০ কোটি টকা ব্যয় কৰা হ'ব।

ফৰকাটিং ৰে'লৰে উৰণ সেতু উদ্বোধন উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰে'লৰে উৰণ সেতুখন নিৰ্মাণৰ বাবে জিলাখনৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া দাবী জনাই আহিছিল আৰু ইয়াৰ উদ্বোধনৰ লগে লগে মেৰাপানী আৰু অসম-নাগালেণ্ড সীমান্তলৈ সূচল পৰিবহণৰ সুবিধা হোৱাৰ উপৰি ৰে'লৰে ক্ৰচিঙত যান-জঁট যথেষ্ট পৰিমাণে হ্ৰাস পাব।

ৰাজ্য চৰকাৰে অসমত পথযোগাযোগ শক্তিশালীকৰণৰ বাবে কাম কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে শেহতীয়াকৈ ফৰকাটিঙৰ এই উৰণ সেতুকে ধৰি তিনিখন উৰণ সেতু উদ্বোধন কৰা হৈছে। তেওঁ লগতে কয় যে কেইবাখনো উৰণ সেতু আৰু দলঙৰ নিৰ্মাণ কাৰ্য চলি আছে। মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক বিত্তীয় বৰ্ষত ৰাজ্যখনত প্ৰায় ৭ হাজাৰ কিলোমিটাৰ পথ নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰে লক্ষ্য

নিৰ্দ্ধাৰণ কৰিছে।

গোলাঘাট জিলাৰ সামগ্ৰিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে লোৱা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সতী সাধনী বিশ্ববিদ্যালয়ৰ বাবে ভূমি আবণ্টন কৰাৰ লগতে ৫০ কোটি টকাৰ অনুমোদন জনোৱা হৈছে যাতে বিশ্ববিদ্যালয়খনৰ শৈক্ষিক বৰ্ষ শীঘ্ৰে আৰম্ভ কৰিব পৰা যায়।

মুখ্যমন্ত্ৰীয়ে লগতে অৱগত কৰে যে ১৫০ বিঘা ভূমি সামৰি ৫০০ কোটি টকা ব্যয় সাপেক্ষে গোলাঘাট চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য ২০২২ চনৰ ১০ মে'ৰ পৰা ১০ জুনৰ ভিতৰত আৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে চাৰিলেন যুক্ত দেৰগাঁও-গোলাঘাট পথৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে আৰম্ভ হ'ব।

জিলাখনৰ ভ্ৰমণ কালত মুখ্যমন্ত্ৰীয়ে গোলাঘাট এমেছাৰ থিয়েটাৰ চ'ছাইটিৰ প্ৰেক্ষাগৃহত গোলাঘাটৰ বিশিষ্ট নাগৰিক আৰু বিভিন্ন সংগঠনৰ প্ৰতিনিধিৰ সৈতেও বাৰ্তালাপ কৰে। বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে জনসাধাৰণৰ সৈতে অংশীদাৰিত্বৰে উন্নয়নৰ দিশত কাম কৰি আহিছে। জনসাধাৰণ আৰু চৰকাৰৰ মাজত থকা ব্যৱধান হ্ৰাস কৰাৰ বাবে প্ৰয়াস চলাই থকা হৈছে বুলিও তেওঁ কয়। তেওঁ কয় যে 'মিছন বসুন্ধৰা', 'প্ৰকল্প সম্ভাৱনা', লাৰ্ণাৰ লাইচেন্স, ট্ৰেড লাইচেন্স ইত্যাতি অনলাইন সেৱা আৰম্ভ কৰা হৈছে আৰু পদক্ষেপসমূহ জনসাধাৰণে ব্যাপক সহাঁৰি জনাইছে।

তেওঁ জনাই যে চলিত বছৰৰ আগষ্টৰ পৰা উপায়ুক্তৰ কাৰ্যালয়টো 'প্ৰকল্প সম্ভাৱনা' আৰম্ভ কৰা হ'ব। জাতিৰ প্ৰমাণপত্ৰ প্ৰদানৰ দিশত থকা সকলো অসুবিধা সমাধান কৰা হ'ব আৰু এনে প্ৰমাণপত্ৰ যাতে নিৰৱচ্ছিন্নভাৱে প্ৰদান কৰি থাকিব পৰা যায় তাক সুনিশ্চিত কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে সংগঠিত অপৰাধ আৰু বেদখলকাৰীৰ বিৰুদ্ধেও ৰাজ্য চৰকাৰে দৃঢ়তাৰে ব্যৱস্থা গ্ৰহণ কৰি যাব বুলিও কয়।

ৰাজ্য চৰকাৰে সমগ্ৰ অসমতে আন্তঃগাঁথনি শক্তিশালীকৰণৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত প্ৰতিখন জিলাতে চিকিৎসা মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয়, বিশ্ববিদ্যালয়, আধুনিক প্ৰেক্ষাগৃহ, সংহত উপায়ুক্তৰ কাৰ্যালয়, অত্যাধুনিক ষ্টেডিয়াম নিৰ্মাণৰ বাবে পদক্ষেপ লোৱা হৈছে।

আজিৰ ভ্ৰমণৰ সময়ত কৃষি মন্ত্ৰী অতুল বৰা, বিত্ত মন্ত্ৰী অজন্তা নেওগ, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু বিধায়ক মৃণাল শইকীয়া আৰু বিশ্বজিৎ ফুকন উপস্থিত আছিল।

**বীঃগঃ / পুঃডেঃ**

**৫-২-২০২২**